بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

# তবুকৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৮ নৱেম্বৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلَهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيۡكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُوۡلُهُ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَاِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَلَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, তবুকৰ যাত্ৰাৰ বিস্তৃত বিৱৰণ আজি বৰ্ণনা কৰিম। বিগত খোতবাত মই বৰ্ণনা কৰিছিলোঁ যে কিছুমান কপটাচাৰীসকলে যুদ্ধলৈ যাবলৈ অস্বীকাৰ কৰিছিল আৰু বিভিন্ন অজুহাত দেখুৱাইছিল, কিন্তু কপটাচাৰী সকলে মদিনাত উপস্থিত হোৱাৰ পিছতো যুদ্ধলৈ নোযোৱাৰ অজুহাতৰ উল্লেখ পোৱা যায়; বৰঞ্চ কোৰআন শ্বৰীফত উল্লেখ পোৱা যায়, আঁহজৰত (ছাঃ)ৰ নীতি আছিল যে যেতিয়া যাত্ৰাৰ পৰা উভতি মদিনা উপস্থিত হৈছিল তেতিয়া প্ৰথমে মছজিদত গৈ দুই ৰাকাত নামাজ পঢ়িছিল। নফল নামাজৰ পিছত যেতিয়া তেখেত (ছাঃ)য়ে মছজিদত বৈ থাকিছিল, তেতিয়া লোকসকলে তেখেতৰ সৈতে সাক্ষাৎ কৰাৰ বাবে উপস্থিত হৈছিল। এইদৰে যিসকলে নিজৰ দুৰ্বল ঈমান আৰু কপটৰ বাবে যাত্ৰাত যোৱা নাছিল তেওঁলোকেও তাত উপস্থিত হৈছিল। ইতিহাসবিদে লিখিছে যে এনেকুৱা লোকৰ সংখ্যা প্ৰায় ৮০ জন আছিল। আন আন বৰ্ণনা অনুসৰি ইয়াতোকৈ অধিক লোক আছিল বুলি জনা যায়। ৰছুলে কৰিম (ছাঃ)য়ে তেওঁলোকৰ বাহ্যিক অজুহাত মানি লৈ তেওঁলোকৰ বয়াত গ্ৰহণ কৰিছিল আৰু তেওঁলোকৰ বাবে ক্ষমাৰ প্ৰাৰ্থনা কৰিছিল আৰু তেওঁলোকৰ আভ্যন্তৰিণ বিষয় সমূহ আল্লাহৰ অধীন কৰিছিল।

কিন্তু এই কপটাচাৰী সকলৰ অপৰাধ ক্ষমাৰ যোগ্য নাছিল। সেয়েহে খোদা তা'লাই তেওঁলোকৰ

বিষয়ে নবী কৰিম (ছাঃ)ক ওহীৰ যোগেদি জনাইছিল যে এওঁলোক এনেকুৱা অপৱিত্ৰ যে খোদা তা'লা তেওঁলোকৰ ওপৰত এতিয়া সন্তুষ্ট নহয়। তেওঁলোকৰ সম্বন্ধে খোদা তা'লাই ছুৰা তৌবাত সংবাদ দিয়ে যে তবুকৰ যুদ্ধত অংশগ্ৰহণ নকৰা সকলৰ ওপৰত আল্লাহ তা'লাই কঠোৰ ক্ৰোধান্বিত হৈছে, তেওঁলোকক দুষ্ট বুলি অভিহিত কৰিছে। নবী কৰিম (ছাঃ)ক তেওঁলোকৰ নামাজে জানাজা আৰু তেওঁলোকৰ কবৰত গৈ দোৱা কৰিবলৈ নিষেধ কৰিছে, আৰু এই বাধ্যবাধকতাও আৰোপ কৰে যে পৰৱৰ্তীত তেওঁলোকে কোনো তেহেৰিক (আন্দোলন)ত যোগদান নকৰিব আৰু কোনো যুদ্ধতও অংশগ্ৰহণ নকৰিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে তবুকৰ যুদ্ধত অংশগ্ৰহণ নকৰা সকল চাৰি ধৰণৰ লোক আছিল। ৰছুলে কৰিম (ছাঃ)ৰ নিৰ্দেশ অনুসৰি কোনো দায়িত্ব পালন কৰিবলৈ যিসকলে যুদ্ধত যোগদান কৰা নাছিল সেইসকল সৌভাগ্যবান; যেনে হজৰত আলী (ৰাঃ), ইবনে উম্মে মকতুম আৰু মহম্মদ বিন মাছলামা (ৰাঃ) আদি। দ্বিতীয় ধৰণৰ সেইসকল লোক আছিল যিসকল অক্ষম, অসুস্থ, দুৰ্বল আৰু অতি দুখীয়া আৰু দৰিদ্ৰ আছিল তথা বাহনৰ ব্যৱস্থা নাছিল। আঁহজৰত (ছাঃ)য়ে তেওঁলোকৰ বিষয়ে কৈছিল যে তেওঁলোকে সদায় আমাৰ লগতেই আছে। তৃতীয়, কপটাচাৰীসকল, যিসকলৰ অৱদান আপত্তিজনক; কোৰআন কৰিমে চিৰকালৰ বাবে তেওঁলোকৰ ওপৰত ক্ৰোধ আৰু কঠোৰ শাস্তিৰ সতৰ্কবাণী অৱতীৰ্ণ কৰিছে। চতুৰ্থ, সেইসকল লোক যিসকলে কেৱল অলসতাৰ বাবে অংশগ্ৰহণ কৰা নাছিল আৰু পিছত ৰৈ গৈছিল। ইয়াৰ মাজত বিশেষকৈ তিনিজন চাহাবাৰ উল্লেখ পোৱা যায় আৰু সেইসকল হৈছে হজৰত কাআব বিন মালিক (ৰাঃ), হজৰত মুৰাৰা বিন ৰবিআ (ৰাঃ) আৰু হজৰত হিলাল বিন উমায়া (ৰাঃ)।

এই তিনিজন চাহাবা সন্দৰ্ভত কোৰআন কৰিমত আয়াত অৱতীৰ্ণ হৈছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে **আলা ছালিছাতিল্লাজিনা খুল্লিফু** অৰ্থাৎ সেই তিনিজন যিসকলক পিছফালে এৰি দিয়া হৈছে তেওঁলোকৰ ঘটনাৰ বিৱৰণ এনেদৰে বৰ্ণনা কৰা হৈছে, বুখাৰীৰ এটা বৰ্ণনাত হজৰত কাআব বিন মালিক (ৰাঃ)য়ে নিজেই এই সকলোবোৰ ঘটনা বৰ্ণনা কৰিছে। তেওঁ কৈছে যে ৰছুলে কৰিম (ছাঃ)য়ে যাত্ৰাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছিল তেখেত (ছাঃ)ৰ লগতে মুছলমানও আছিল। মোৰ উদ্দেশ্য দৃঢ় আছিল, কিন্তু অলসতাৰ বাবে প্ৰস্তুতি ল'ব পৰা নাছিলো। মই টাল মোটল কৰি থাকিলোঁ; ইমানে যে ৰছুলে কৰিম (ছাঃ)য়ে এদিনাখন ৰাতিপুৱা যাত্ৰা আৰম্ভ কৰিলে আৰু মই নিজৰ যাত্ৰাৰ প্ৰস্তুতিৰ বাবে একোৱে প্ৰস্তুতি লোৱা নাছিলো। মই ভাৱিছিলো যে তেখেত (ছাঃ)ৰ যাত্ৰাৰ এদিন বা দুদিন পিছত যাত্ৰাৰ বাবে প্ৰস্তুতি লৈ ল'ম আৰু গৈ তেখেত (ছাঃ)ৰ সৈতে সাক্ষাৎ কৰিম। অৱস্থা এনেকুৱাই ৰৈ গ'ল, ইমানতে সেনা সকলে দ্ৰুত গতিৰে যাত্ৰা কৰি ওলাই পৰিল। ৰছুলে কৰিম (ছাঃ)ৰ যাত্ৰাৰ পিছত যেতিয়া মই লোকসকলৰ মাজত গলো আৰু তেওঁলোকৰ মাজত ঘূৰা-ফুৰা কৰিলোঁ আৰু এনেকুৱা ব্যক্তি দেখা পালো যিসকলৰ মাজত কপটাচাৰীৰ লক্ষণ আছিল বা যিসকল দুৰ্বল আছিল বা যিসকলক আল্লাহ তা'লাই অক্ষম কৰি তুলিছিল এই অৱস্থা চাই মই দুখিত হৈছিলো। হজৰত কাআব বিন মালিক (ৰাঃ) য়ে কৈছিল যে যেতিয়া মই এই সংবাদ পাইছিলো যে তেখেত (ছাঃ)য়ে উভতি আহি আছে তেতিয়া মিছা কথাৰ উদ্বেগত চিন্তিত হৈছিলো যে কেনেকৈ মই কালি তেখেতৰ (ছাঃ)ৰ ক্ৰোধৰ পৰা ৰক্ষা পাব পাৰিম ?

যেতিয়া এয়া জানিব পাৰিলো যে ৰছুলে কৰিম (ছাঃ) আহি উপস্থিত হৈছে তেতিয়া মোৰ হৃদয়ৰ পৰা সকলোবোৰ মিছাৰ ধাৰণা আঁতৰ হ'ল আৰু মই ভাবিলো যে মই কেতিয়াও মিছাৰ সহায়ত তেখেত (ছাঃ)ৰ ক্ৰোধৰ পৰা ৰক্ষা পাব নোৱাৰিম য'ত মিছা মিশ্ৰিত আছে। গতিকে মই তেখেত (ছাঃ)ৰ ওচৰত সঁচা কোৱাৰ বাবে দৃঢ় প্ৰতিজ্ঞা ললো।

ৰছুলে কৰিম (ছাঃ)য়ে উপস্থিত হোৱাৰ লগে লগে পিছত ৰৈ যোৱা লোকসকলে তেখেত (ছাঃ)ৰ সন্মুখত উপস্থিত হৈ ক্ষমা বিচাৰি শপত খাব ধৰিলে। এনেকুৱা লোক ৮০ জনতকৈ অধিক আছিল। ৰছুলে কৰিম (ছাঃ)য়ে তেওঁলোকৰ বাহ্যিক অজুহাত মানি লৈ তেওঁলোকৰ বয়াত গ্ৰহণ কৰিছিল। ইয়াৰ পিছত মই তেখেত (ছাঃ)ৰ ওচৰলৈ আহিলো, যেতিয়া মই তেখেতক ছালাম কৰিলোঁ তেতিয়া তেখেত (ছাঃ)য়ে ক্ৰোধান্বিত লোকৰ দৰে মিচিকি হাঁহিলে। তেখেত (ছাঃ)য়ে মোক সুধিলে যে তুমি কি কাৰণে পিছত ৰৈ গৈছিলা, তুমি আৰোহী ক্ৰয় কৰা নাছিলানে ? মই কলো, হয়, আল্লাহৰ শপত ! মই এনেকুৱা যে যদি আপোনাৰ বাহিৰে পৃথিৱীৰ আন কোনো ব্যক্তিৰ ওচৰত বহিলোহেঁতেন তেতিয়া মই নিশ্চয় অজুহাত দেখুৱাই সেই ব্যক্তিৰ ক্ৰোধৰ পৰা ৰক্ষা পালোহেঁতেন। মোক সন্তুষ্টিমূলক কথা প্ৰদান কৰা হৈছে। কিন্তু আল্লাহৰ শপত! মই ভালদৰে বুজি পাইছো যে যদি মই আপোনাৰ ওচৰত এনেকুৱা কোনো মিছা কথা বৰ্ণনা কৰো যাৰ ফলত আপুনি সন্তুষ্ট হৈ যায়, তেন্তে আল্লাহ্ অতি সোনকালে মোৰ প্ৰতি আপোনাৰ ওপৰত খং প্ৰকাশ কৰিব। যদি মই আপোনাৰ ওচৰত সঁচা কথা কওঁ যাৰ ফলতে আপুনি মোৰ ওপৰত খং প্ৰকাশ কৰে তেতিয়া মই ইয়াত আল্লাই ক্ষমা কৰিব বুলি আশা ৰাখো।

ক'ব ধৰিলে যে আল্লাহৰ শপত ! মোৰ কোনো অজুহাত নাছিল, আল্লাহৰ শপত ! মই কেতিয়াও ইমান সুস্থ আৰু নিশ্চিন্ত অৱস্থাত নাছিলো যিমান এতিয়া হৈছো; অথচ মই পিছুৱাই ৰৈ গৈছিলো। ৰছুলে কৰিম (ছাঃ)য়ে এই কথা শুনি কলে যে তেওঁ সঁচা কথা কৈছে, উঠা আৰু যোৱা, ইমানেই যে আল্লাহ তোমাৰ বিষয়ে কিবা সিদ্ধান্ত কৰিব।

মোৰ বাহিৰে মুৰাৰা বিন ৰবিআ উমৰী আৰু হিলাল বিন উমায়াই সেয়াই কৈছিল যি মই কৈছিলো, তেওঁ যি উত্তৰ পাইছিল মইও সেই একেই উত্তৰ পাইছিলো। হজৰত কাআব (ৰাঃ)য়ে কৈছে যে সেই সময়ত গাচ্ছানৰ ৰজাৰ ফালৰ পৰা এখন পত্ৰ মৌলৈ আহিছিল য'ত এই বিষয়াৱলী লিখা আছিল যে মই এই সংবাদ পাইছিলো যে তোমাৰ লগৰীয়াই তোমাৰ সৈতে কঠোৰ আচৰণ কৰি তোমাক পৃথক কৰিছে; তোমাক আল্লাই তা'লাই এনেকুৱা ঘৰত জন্ম দিয়া নাই য'ত তুমি অপমানিত হ'বা আৰু বিনষ্ট কৰি পেলোৱা হ'ব। তুমি আমাৰ সৈতে যোগদান কৰা আমি তোমাৰ যত্ন ল'ম। যেতিয়া মই এই চিঠিখন পঢ়িলো তেতিয়া মই কলো যে এই চিঠিটো হৈছে এটা পৰীক্ষা, মই চিঠিখন লৈ চুলালৈ গৈ তাত দলিয়াই দিলো। ৫০ ৰাতিৰ ভিতৰত যেতিয়া ৪০ ৰাতি অতিবাহিত হ'ল তেতিয়া দেখিবলৈ পালো যে ৰছুলে কৰিম (ছাঃ)ৰ সংবাদদাতা মোৰ ওচৰলৈ আহি আছে, তেওঁ কলে যে ৰছুলে কৰিম (ছাঃ)য়ে তোমাক কৈছে যে তুমি নিজৰ পত্নীৰ পৰা পৃথকতা অৱলম্বন কৰা; মই সুধিলো যে মই তাইক তালাক দিম নে বা আন কিবা কৰিম ? তেওঁ কলে যে তাইৰ পৰা পৃথক হৈ থাকিবা আৰু তাইৰ ওচৰলৈ নাযাবা। তেখেত (ছাঃ)য়ে মোৰ দুয়োজন লগৰীয়াক একেই কথা কৈছিল।
যেতিয়া ৫০ তম ৰাতিৰ পূৱাতে ফজৰৰ নামাজ পঢ়িলো সেই সময়ত মই মোৰ ঘৰৰ ছাতৰ ওপৰত

আছিলো, মই তেনেকুৱা অৱস্থাতেই বহি আছিলো যিদৰে আল্লাহ তা'লাই কৈছিল। অৰ্থাৎ মোৰ ওপৰত মোৰ প্ৰাণ তিক্ত হৈ পৰিছিল আৰু পৃথিৱীখন বিস্তৃত হোৱা সত্ত্বেও সংকীৰ্ণ হৈ পৰিছিল। সেই সময়ত মই এজন মাত দিয়া লোকৰ মাত শুনিবলৈ পাও যে হে কাআব বিন মালিক ! তোমাৰ বাবে শুভ সংবাদ। মই এই কথা শুনি ছিজদাৰত হৈ পৰিলো আৰু বুজি পালো যে বিপদ আঁতৰ হৈ পৰিছে। এয়া শুনি সকলোৱে মোক শুভ সংবাদ দিবলৈ ধৰিলে। হজৰত কাআবে কৈছে যে যেতিয়া মই মছজিদত উপস্থিত হৈ ৰছুলে কৰিম (ছাঃ)ক আচ্ছালামু আলায়কুম কলো তেতিয়া তেখেত (ছাঃ)ৰ মুখমণ্ডল জিলিকি উঠি আনন্দৰে কৈছিল, সেই দিনৰ পৰা যেতিয়া তোমাৰ মাতৃয়ে তোমাক জন্ম দিছে আৰু যিমান দিন তুমি অতিবাহিত কৰিছা তেতিয়াৰ পৰা লৈ আজিৰ দিনটো তোমাৰ বাবে অতি সুখৰ দিন। মই সুধিলো হে আল্লাহৰ ৰছুল (ছাঃ)! এই শুভ সংবাদ আপোনাৰ ফালৰ পৰা নে বা আল্লাহৰ ফালৰ পৰা ? তেখেত (ছাঃ)য়ে কলে নহয়, আল্লাহৰ ফালৰ পৰা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ইয়াৰ যি বাকী অংশ বৰ্ণনা কৰিছে সেয়া নিজৰ শৈলীৰে পৰৱৰ্তীত ইনশ্বা আল্লাহ বৰ্ণনা কৰিম।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় হাফিজ ইব্ৰাহিম আবিদ চাহাব মুৰব্বী ছিলছিলা, মাননীয় শেখ আবু বক্কৰ জাৰ্জ চাহাব মুৱাল্লিম ছিলছিলা লাইবেৰিয়া আৰু মাননীয়া ছামিনাহ ভানু চাহিবা পত্নী ডাক্তৰ ফজল মেহমুদ ভানু চাহাব লাইবেৰিয়াৰ সদগতি উল্লেখ কৰি তেওঁলোকৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আৰু প্ৰয়াত সকলৰ মাগফিৰাত আৰু উচ্চ মৰ্যাদাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 28 NOV 2025**

# BOOK POST (PRINTED MATTER)

TO,
..............................................................................................................................
..............................................................................................................................
..............................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB